अपना राष्ट्रभाषा प्रचार समिति, गुवाहाटी

# অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি, গুৱাহাটী
## ৰাষ্ট্ৰভাষা পৰীক্ষা সূচনা, জুলাই/২০২৫
## ৱেব চাইট ঃ www.arpsguwahati.com

পত্ৰ সংখ্যা ঃ অৰাস/পৰী-০১/ তাং- ০৫/১১/২০২৪

১। অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতিৰ জুলাই, ২০২৫ পৰিচয়ৰ পৰা প্ৰবীণলৈকে পৰীক্ষাসমূহৰ বাবে পৰীক্ষা মাচুল সহ পৰীক্ষা আবেদন-পত্ৰ গ্ৰহণৰ অন্তিম তিথি **কেন্দ্ৰৰ বাবে ২২/০৪/২০২৫ আৰু সমিতিৰ কাৰ্যালয়ত গ্ৰহণ কৰাৰ অন্তিম তাৰিখ ৩০/০৪/২০২৫ নিৰ্দ্ধাৰণ কৰা হৈছে।** সেয়েহে নিৰ্দ্ধাৰিত তাৰিখৰ ভিতৰত সমিতিৰ কাৰ্যালয়ত সকলো পৰীক্ষাৰ আবেদন-পত্ৰ জমা কৰিবৰ বাবে শিক্ষক/প্ৰচাৰক/প্ৰচাৰিকা সকলক অনুৰোধ জনোৱা হ'ল।

২। কেন্দ্ৰ ব্যৱস্থাপক, প্ৰচাৰক/প্ৰচাৰিকাসকলক ইয়াৰ দ্বাৰাই জনোৱা হয় যে পৰীক্ষা মাচুলৰ সম্পূৰ্ণ দেয় ৰাশি **Mantri, Asom Rastrabhasha Prachar Samiti ৰ নামত বেংক ড্ৰাফ্‌ট (Bank Draft) আবেদন পত্ৰৰ লগত গাঁঠি দিব লাগিব অথবা Mantri, Asom Rastrabhasha Prachar Samiti, Punjab National Bank, G.S. Road Branch, A/c No. 0853010182614 IFS code PUNB0085320** ত অনলাইন যোগেদিও পৰীক্ষা মাচুল জমা দিব পাৰিব। মাচুল জমা কৰাৰ বেংক ৰচিদ (কেন্দ্ৰব্যৱস্থাপকৰ দ্বাৰা স্বাক্ষৰিত তথা ছীল-মোহৰ যুক্ত) সমিতিৰ 'শুল্ক পৰিশিষ্টৰ' লগত গাঁঠি দিব।

৩। সমিতিৰ দ্বাৰা পৰিচালিত যিকোনো পৰীক্ষাত নতুনকৈ বহিব বিচৰা পৰীক্ষাৰ্থীয়ে মাত্ৰ এবাৰৰ বাবে সমিতিত নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব। ইয়াৰ বাবে পৰীক্ষাৰ্থীজনে ৩০/- টকাৰ পঞ্জীয়ন মাচুল জমা কৰিব লাগিব। যিসকল পৰীক্ষাৰ্থীৰ নাম আগতেই সমিতিত পঞ্জীয়ন কৰা হৈছে, তেওঁলোকে পৰীক্ষা আবেদনৰ লগত পঞ্জীয়ন প্ৰমাণ-পত্ৰৰ ফটোকপি গাঁঠি দিব।

৪। প্ৰৱেশিকা পৰীক্ষাৰ পৰীক্ষাৰ্থী সকলক পৰীক্ষাত বহাৰ অনুমতিৰ দায়িত্ব কেন্দ্ৰব্যৱস্থাপক সকলক দিয়া হৈছে। সেয়েহে সমিতিৰ প্ৰথমা পৰীক্ষা উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক প্ৰৱেশিকা পৰীক্ষাত বহাৰ বাবে কেন্দ্ৰব্যৱস্থাপকে পৰীক্ষা আবেদন-পত্ৰৰ ৬ অথবা ৭ নম্বৰৰ নিৰ্দ্ধাৰিত স্থানত নিজৰ স্বাক্ষৰৰ সৈতে ছীল-মোহৰ মাৰি প্ৰমাণিত কৰি আৱশ্যকীয় অনুমোদনৰ বাবে সমিতিলৈ প্ৰেৰণ কৰিব।

**কেন্দ্ৰব্যৱস্থাপক সকললৈ আৱশ্যক সূচনা ঃ**

যিখন উচ্চ মাধ্যমিক বিদ্যালয়/উচ্চতৰ মাধ্যমিক বিদ্যালয়/মহাবিদ্যালয়ত সমিতিৰ পৰীক্ষা কেন্দ্ৰ আছে, সেই উচ্চ মাধ্যমিক বিদ্যালয়/উচ্চতৰ মাধ্যমিক বিদ্যালয়/মহাবিদ্যালয়ৰ প্ৰধান শিক্ষক/অধ্যক্ষ জনেই কেন্দ্ৰব্যৱস্থাপক হয় আৰু কেন্দ্ৰব্যৱস্থাপকজনৰ তত্ত্বাৱধানতহে পৰীক্ষাসমূহ অনুষ্ঠিত কৰা হয়। কেন্দ্ৰব্যৱস্থাপকজনে পৰীক্ষাৰ গোপনীয় সামগ্ৰীসমূহ নিজৰ জিম্মাত ৰখাৰ পৰা উত্তৰ বহীসমূহ সময়মতে সমিতিলৈ প্ৰেৰণ কৰাৰ সম্পূৰ্ণ দায়িত্ব বহন কৰাৰ নিয়ম। প্ৰতি দিনৰ পৰীক্ষা সমাপ্ত হোৱাৰ লগে-লগেই উত্তৰ বহীৰ টোপোলাসমূহ স্পীড পোষ্ট/ৰেজিষ্টাৰ পোষ্ট অথবা কেন্দ্ৰব্যৱস্থাপকে প্ৰেৰণ কৰা প্ৰতিনিধিৰ দ্বাৰা সমিতিৰ কাৰ্য্যালয়ত জমা কৰিব। স্পীড পোষ্ট/ৰেজিষ্টাৰ পোষ্ট আদিৰ যোগেদি পঠোৱাৰ ৰছিদ জমা কৰিব লাগিব। **পৰীক্ষা অনুষ্ঠিত হোৱাৰ পৰা প্ৰায় ডেৰ মাহৰ (৪৫ দিন) আগতে কেন্দ্ৰ কমিটি পাতি সমিতিৰ পৰা তাৰ নিয়মানুসাৰে অনুমোদন ল'ব লাগিব। কেন্দ্ৰ ব্যৱস্থাপকে কেন্দ্ৰ কমিটিৰ প্ৰতিবেদন সময়মতে দাখিল কৰিলেহে তেনে কেন্দ্ৰৰ পৰীক্ষা আবেদন-পত্ৰ গ্ৰহণ কৰা হ'ব।**

**প্ৰবীণ পৰীক্ষা কেন্দ্ৰ সম্পৰ্কে ঃ**

**প্ৰবীণ কেন্দ্ৰ সমূহত নিম্নতম ২০ জন পৰীক্ষাৰ্থী ধাৰ্য কৰা হৈছে।** ২০ জনতকৈ কম পৰীক্ষাৰ্থী হ'লে তেনে কেন্দ্ৰৰ পৰীক্ষাৰ্থী সকলক সমিতিয়ে বিবেচনা কৰা নিকটৱৰ্তী প্ৰবীণ কেন্দ্ৰত চামিল কৰি দিয়া হ'ব।

**পাঠ্যক্ৰম সম্পৰ্কে ঃ**

পৰিচয় পৰা প্ৰবোধলৈ ২০২৫ বৰ্ষৰ পৰা সম্পূৰ্ণ নতুন পাঠ্যক্ৰমৰ আধাৰত পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। গতিকে সমূহ কেন্দ্ৰব্যৱস্থাপক/প্ৰচাৰক/প্ৰচাৰিকা/পৰীক্ষাৰ্থীক নতুন পাঠ্যক্ৰমৰ বিতং সূচী সমিতিৰ কাৰ্যালয়ৰ পৰা সংগ্ৰহ কৰিবলৈ জনোৱা হ'ল। সমিতিৰ ৱেব চাইট www.arpsguwahati.com ৰ পৰাও নতুন পঠ্যক্ৰম ডাউনলোড কৰিব পাৰিব।

**পৰীক্ষা শুল্ক/মাচুল সম্বন্ধে ঃ**

সমিতিয়ে ০১/০১/২০২৩ বৰ্ষৰ পৰা কাৰ্যপালিকাৰ অনুমোদন মৰ্মে পৰীক্ষাৰ বিভিন্ন শিতানৰ মাচুল সমূহত কিছু সংশোধন কৰিছে। প্ৰচাৰক/প্ৰচাৰিকা সকলক সংশোধিত দৰত মাচুল সংগ্ৰহ কৰিবলৈ ইয়াৰ দ্বাৰাই জনোৱা

হ'ল। সংশোধিত মাচুলৰ দৰ সমূহ এনেধৰণৰঃ-

| পৰীক্ষা সমূহ | পঞ্জীয়ন মাচুল | পৰীক্ষা মাচুল | প্ৰাপ্তাংক মাচুল | প্ৰমাণ-পত্ৰ মাচুল | কেন্দ্ৰ মাচুল | সৰ্বমুঠ মাচুল | অনুমতি মাচুল |
|---|---|---|---|---|---|---|---|
| পৰিচয়- | ৩০.০০ | ৬০.০০ | ৩০.০০ | - | ৪০.০০ | ১৬০.০০ | - |
| প্ৰথমা- | - | ৯০.০০ | ৩০.০০ | - | ৫০.০০ | ১৭০.০০ | - |
| প্ৰৱেশিকা- | - | ১০০.০০ | ৪০.০০ | - | ৬০.০০ | ২০০.০০ | ১০০.০০ |
| প্ৰবোধ- | - | ১২৫.০০ | ৪৫.০০ | - | ৭০.০০ | ২৪০.০০ | ১৩০.০০ |
| বিশাৰদ- | - | ৩০০.০০ | ৫০.০০ | ১৫০.০০ | ১৬০.০০ | ৬৬০.০০ | ২০০.০০ |
| সম্পূৰক- | - | ২০০.০০ | ৫০.০০ | - | ১০০.০০ | ৩৫০.০০ | - |
| প্ৰবীণ (প্ৰথম খণ্ড)- | - | ৫০০.০০ | ৬০.০০ | - | ১৭০.০০ | ৭৩০.০০ | ৪০০.০০ |
| প্ৰবীণ (অন্তিম খণ্ড)- | - | ৬২০.০০ | ৭০.০০ | সাময়িক - ১৪০.০০<br>মূল - ২০০.০০<br>মুঠ - ৩৪০.০০ | ১৭০.০০ | ১২০০.০০ | - |
| প্ৰবীণ সম্পূৰ্ণ- | - | ৮০০.০০ | ৭০.০০ | সাময়িক - ১৫০.০০<br>মূল - ২০০.০০<br>মুঠ - ৩৫০.০০ | ২০০.০০ | ১৪২০.০০ | ৫০০.০০ |
| সম্পূৰক- | - | ৪৫০.০০ | ৫০.০০ | - | ১৫০.০০ | ৬৫০.০০ | - |

**প্ৰচাৰক/প্ৰচাৰিকা সকললৈ আৱশ্যক সূচনা**

১. সমূহ সন্মানীয় প্ৰচাৰক/প্ৰচাৰিকা সকলক ইয়াৰ দ্বাৰাই জনোৱা হয় যে নতুন পৰীক্ষা কেন্দ্ৰ খোলাৰ বাবে নিয়মানুসাৰে আবেদন কৰি কাৰ্যালয়ৰ পৰা অনুমতি লব লাগিব।

২. প্ৰচাৰক/প্ৰচাৰিকাসকলে তেওঁলোকৰ নিজৰ লগতে কেন্দ্ৰৰ কেন্দ্ৰব্যৱস্থাপক জনৰ মোবাইল নম্বৰ তথা হ্বাটচ এপ নম্বৰ কাৰ্যালয়ত জনোৱাৰ বাবে অনুৰোধ জনোৱা হ'ল।

৩. পৰীক্ষাফল ঘোষণা হোৱাৰ লগে-লগেই পৰৱৰ্তী বৰ্ষৰ বাবে পাঠদানৰ ব্যৱস্থা কৰিব। পৰীক্ষাৰ্থীসকলক তেওঁলোকে দিব বিচৰা পৰীক্ষাৰ পাঠ্যক্ৰমৰ বিতং তথ্য দিব। মূল পাঠ্যপুথিৰ বাবে সমিতিলৈ আহি বা অনলাইন যোগেদিও পাঠ্যপুথি সংগ্ৰহ কৰিব পাৰিব।

৪. পৰীক্ষাৰ বিতং তথ্যৰ বাবে **www.arpsguwahati.com** ত লগঅন কৰিব পাৰে।

**আবেদন শুল্ক** ঃ যোৱা ১৭/০২/২০২৪ তাৰিখৰ কাৰ্য্যপালিকা সভাই ৭৫ জনলৈকে পৰীক্ষাৰ্থী দিওঁতা প্ৰচাৰকজনক পূৰ্বৰ দৰে পৰীক্ষা মাচুলৰ কমিচন ২০% তথা ৭৫ জনৰ ওপৰত পৰীক্ষাৰ্থী জমা দিওঁতা প্ৰচাৰক জনক ২২ % কমিচন আদায় দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। অহা জুলাই, ২০২৫ বৰ্ষৰ পৰীক্ষাৰ পৰা এই নিয়ম প্ৰযোজ্য হব।

**আৱশ্যকীয় ফোন নম্বৰ সমূহ ঃ**

| | | |
|---|---|---|
| মন্ত্ৰী, অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি | ঃ | ৯১০১৫৪১৩৮০/৯৪৩৫৩৪০২৮৫ |
| বিত্ত বিভাগ, অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি | ঃ | ৯৪৩৫১৪৬০৯২ |
| পৰীক্ষা বিভাগ, অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি | ঃ | ৭০০২২৭২৮০৫/৯৫৪৬২৯৬৩৩ |
| সাহিত্য বিভাগ, অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি | ঃ | ৯১০১৫৪১৩৯৫ |
| স্থাপন বিভাগ, অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি | ঃ | ৯৪৩৫৪০৪৯০৩/৮৭২০৯৪৭৭০৪ |
| পুস্তক বিক্ৰী বিভাগ, অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি | ঃ | ৯৮৬৪৬৪০৮৬৯/৯৫৪৬২৪১১১ |

জুলাই, ২০২৫ বৰ্ষত অনুষ্ঠিত হ'বলগীয়া পৰিচয়ৰ পৰা প্ৰবীণ পৰীক্ষাসমূহ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে সকলো কেন্দ্ৰৰ কেন্দ্ৰব্যৱস্থাপক, প্ৰচাৰক/প্ৰচাৰিকা সকলৰ সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰা হ'ল।

স্বা-ড০ ক্ষীৰদা কুমাৰ শইকীয়া
মন্ত্ৰী
অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি, গুৱাহাটী

ড০ ৰাজীৱ শইকীয়া
ভাৰপ্ৰাপ্ত পৰীক্ষা সচিব
অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি, গুৱাহাটী

d/pari/ex info modified/J